# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - -**

১। ক’ভিড-19 মহামাৰীৰ সময়ত ডমিনিকালৈ আগবঢ়োৱা অৱদান আৰু উভয় দেশৰ মাজত সম্পৰ্ক বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ডমিনিকাৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা।

২। বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীৰ অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী তালিকাৰ পৰা নাম প্ৰত্যাহাৰ।

৩। পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিন আজি শিশু দিৱস ৰূপে উদযাপন। অসমৰ বিদ্যালয়সমূহত শিশু দিৱসৰ বিভিন্ন কাৰ্যসূচী উদযাপন।

৪। শিৱসাগৰৰ ডিমৌৰ দিহাজানত অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ ৫ হাজাৰ বৰ্গফুটৰ ধান ক্ৰয় কেন্দ্ৰ উদ্বোধন। **আৰু**

৫। ৰাজ্যৰ বিভিন্ন জিলাত খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ গাঁও পঞ্চায়ত, পৌৰসভা পৰ্যায়ৰ খেলসমূহ আৰম্ভ।

ooooo

ক’ভিদ-19 মহামাৰীৰ সময়ত ডমিনিকালৈ আগবঢ়োৱা অৱদান তথা ভাৰত আৰু ডমিনিকাৰ মাজৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ডমিনিকাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ দেশখনৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা আগবঢ়াইছে। গায়ানাৰ জৰ্জ টাউনত ১৯ৰ পৰা ২১ নৱেম্বৰলৈ হ’বলগীয়া ভাৰত-কেৰিকম সন্মিলনত কমনৱেল্‌থ অব্ ডমিনিকাৰ ৰাষ্ট্ৰপতি ছিলভানী বাৰ্টনে শ্ৰী মোদীক এই বঁটা প্ৰদান কৰিব। ডমিনিকাৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ২০২১ চনৰ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ উদ্যোগত কেন্দ্ৰীয় চৰকাৰে ডমিনিকালৈ আষ্ট্ৰাজেনেকা ক’ভিদ-19 প্ৰতিষেধকৰ ৭০ হাজাৰ পালি প্ৰেৰণ কৰিছিল। দেশখনে আগবঢ়োৱা এই বঁটাই ডমিনিকাৰ স্বাস্থ্য, শিক্ষা আৰু তথ্য-প্ৰযুক্তি খণ্ডলৈ ভাৰতে আগবঢ়োৱা সমৰ্থনৰ লগতে জলবায়ু স্থিতিস্থাপকতা তথা গোলকীয় পৰ্যায়ত বহনক্ষম উন্নয়নৰ প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰী মোদীৰ ভূমিকাক প্ৰতিফলিত কৰিছে। এই বঁটা ডমিনিকাৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ভূমিকাৰ প্ৰতি দেশখনৰ কৃতজ্ঞতা প্ৰকাশ বুলি ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুছভেল্ট স্কেৰিটে মন্তব্য কৰে। শ্ৰী মোদী ডমিনিকাৰ এগৰাকী সঁচা বন্ধু বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী স্কেৰিটে কয়, যে শ্ৰী মোদীৰ সমৰ্থনৰ বাবে দেশখনৰ এই সৰ্বোচ্চ সন্মান তেওঁলৈ আগবঢ়াবলৈ পোৱাটো অতি সন্মানৰ বিষয়।

ooooo

বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী তালিকাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। আজি এই সন্দৰ্ভত সাহিত্যিকগৰাকীয়ে অসম সাহিত্য সভাৰ

প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মালৈ প্ৰেৰণ কৰা এখন পত্ৰত কয়, যে সভাপতি পদৰ বাবে প্ৰস্তাৱিত আন চাৰিওগৰাকী প্ৰাৰ্থীৰ যিকোনো এগৰাকীক সৰ্বসন্মতিক্ৰমে মনোনীত কৰিলে তেওঁ সুখী হ'ব বুলি সাহিত্যিকগৰাকীয়ে উল্লেখ কৰে। আকাশবাণীৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী শৰ্মা পূজাৰীয়ে এইদৰে কয়-

**ৰাইট (অনুৰাধা শৰ্মা পূজাৰী)**

উল্লেখযোগ্য যে কালি সভাপতি পদৰ বাবে ঘোষিত আন এগৰাকী প্ৰাৰ্থী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ ভীমকান্ত বৰুৱাইও সভাপতি পদৰ নিৰ্বাচনী দৌৰত, তেওঁ নাই বুলি প্ৰকাশ কৰিছিল।

০০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত আকাংক্ষিত জিলাৰ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগৰ দ্বাৰা আকাংক্ষিত জিলা হিচাপে তালিকাভুক্ত হোৱা গোৱালপাৰা জিলাত বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত লোৱা পদক্ষেপ সম্পৰ্কে সভাখনত পৰ্যালোচনা কৰা হয়। সভাত মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই গোৱালপাৰা জিলাত কেন্দ্ৰীয় চৰকাৰে কোনো প্ৰকল্প বা কেন্দ্ৰীয় চৰকাৰৰ আংশিক বিনিয়োগ থকা কোনো প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত যদি কিবা অসুবিধাৰ সন্মুখীন হৈ আছে তেন্তে সেই বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰি দাখিল কৰিবলৈ গোৱালপাৰা জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। সেই প্ৰতিবেদনৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি মন্ত্ৰীগৰাকীয়ে তেনে প্ৰকল্প ৰূপায়ণৰ পথ প্ৰশস্ত কৰিব বুলি সভাত উল্লেখ কৰে।

**ৰাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

উল্লেখযোগ্য যে ২০১৮ চনত সামগ্ৰিক বিকাশৰ মানৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে তালিকাভুক্ত কৰা দেশৰ ১১২খন আকাংক্ষিত জিলাৰ ভিতৰত গোৱালপাৰা জিলাও অন্তৰ্ভুক্ত কৰা হৈছিল। সেই অনুসৰি নীতি আয়োগৰ নিৰ্দেশনাত জিলা প্ৰশাসনে শিক্ষা, স্বাস্থ্য আৰু পুষ্টি, কৃষি, প্ৰাথমিক আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰত উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। গোৱালপাৰা জিলা উন্নয়ন আয়ুক্তই আঁত ধৰা আজিৰ পৰ্যালোচনা সভাখনত গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, সহকাৰী আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালককে ধৰি কৃষি, সমাজ কল্যাণ বিভাগ, লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলৰ লগতে আন বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

০০০০০০

আজি শিশু দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ উপৰি অসমৰ বিদ্যালয়সমূহত শিশুসকলৰ মাজত ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিশু দিৱস উপলক্ষে শিশুসকলক শুভেচ্ছা জনাইছে। ৰাজ্যৰ বিভিন্ন জিলাত শিশু দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিৱসাগৰ নগৰত আজি কেন্দ্ৰীয়ভাৱে আয়োজিত দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে টাই-আহোম সাংস্কৃতিক বিকাশ মঞ্চৰ মুকলি পথাৰত ৰাজ্যিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলাৰ বিভিন্ন

ঠাইত আজি শিশু দিৱস উদযাপন কৰা হয়। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে আজি বৰহাপজান আৰু মাকুমত এখন বিদ্যালয় আৰু শিশুগৃহত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰী, আৱাসী তথা শিক্ষকসকলৰ সৈতে মত বিনিময় কৰে।

গোৱালপাৰা জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত আজি শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি অসম বুক অব্ ৰেকৰ্ডছৰ ব্যৱস্থাপনাত অভিলেখ গঢ়াৰ লক্ষ্যৰে আজিৰে গোৱালপাৰা মহাবিদ্যালয় খেলপথাৰত ১৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ১৫০ ফুট দৈৰ্ঘ্যৰ চিত্ৰপটত অসমৰ লোকবাদ্য আৰু লোকনৃত্যক চিত্ৰায়িত কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০

জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক, ৰামায়ণী সাহিত্যৰ গৱেষক ড০ মামণি ৰয়ছম গোস্বামীৰ ওপজা দিন উপলক্ষে আজি সাহিত্যিকগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৪২ চনৰ আজিৰ দিনটোতে কামৰূপ জিলাৰ জগলীয়া সত্ৰত জন্মগ্ৰহণ কৰা সাহিত্যিকগৰাকী জীৱনৰ বিভিন্ন সংঘাত আৰু প্ৰত্যাহ্বানক নিজৰ কলমেৰে তুলি ধৰিছিল। বঞ্চিতজনৰ পৰা আৰম্ভ কৰি ৰক্ষণশীল সমাজৰ কুসংস্কাৰলৈকে তেওঁৰ লেখাৰে বাস্তৱ ছবি অংকন কৰিছিল। ১৯৮২ চনত সাহিত্য একাডেমী আৰু ২০০০ চনত জ্ঞানপীঠ বঁটা লাভ কৰা এইগৰাকী সাহিত্যিকৰ ওপজা দিন উপলক্ষে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে সাহিত্যিকগৰাকীৰ উত্তৰ-পূব ভাৰতৰ চিৰ উজ্বল নক্ষত্ৰ বুলি অভিহিত কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি শিৱসাগৰ জিলাৰ ডিমৌৰ দিহাজানত অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ ৫ হাজাৰ বৰ্গফুটৰ এটা ধান ক্ৰয় কেন্দ্ৰ উদ্বোধন কৰে। এই ধান ক্ৰয় কেন্দ্ৰটোৰ জৰিয়তে বৃহত্তৰ ডিমৌ অঞ্চলৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ কৃষকে ন্যূনতম সমৰ্থিত মূল্যত ধান বিক্ৰী কৰিব পাৰিব। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ তথা বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষকৰ আয় দুগুণৰ বাবে বৃদ্ধি কৰিবলৈ লোৱা সক্ৰিয় পদক্ষেপসমূহৰ বিষয়ে ব্যাখ্যা কৰে। আনহাতে মন্ত্ৰী শ্ৰীদাসে শিৱসাগৰ জিলাৰ ডিমৌ সমজিলাৰ শুকানপুখুৰী গাঁৱতো এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ধান বনা কল উদ্বোধন কৰে। এই অনুষ্ঠানত বিধায়ক সুশান্ত বৰগোঁহাই, ডিমৌ সমজিলাৰ আয়ুক্তকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

০০০০০

ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰি আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ বিভিন্ন জিলাত আৰম্ভ হৈছে। কৃষি মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাতত খেল মহাৰণৰ কাৰ্যসূচীৰ অংশ হিচাপে চাইক্লিং প্ৰতিযোগিতাৰ ফ্লেগ অফ কৰে। বোকাখাত পৌৰসভা কাৰ্যালয় চৌহদত অনুষ্ঠিত খেল মহাৰণৰ কাৰ্যসূচী উদ্বোধন কৰি মন্ত্ৰী শ্ৰীবৰাই খেল মহাৰণৰ জৰিয়তে গ্ৰামাঞ্চলৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত হোৱাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে চৰাইদেউ জিলাতো গাঁও পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জিলাখনৰ সোণাৰি সমষ্টিৰ অন্তৰ্গত সোণাৰি গাঁও পঞ্চায়তৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে প্ৰতিযোগিতাখন উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত বিধায়কগৰাকীয়ে বিভিন্ন খেলৰ সৈতে জড়িত জিলাখনৰ

খেলুৱৈসকলক এই প্ৰতিযোগিতাই ভৱিষ্যতে ক্ৰীড়া জগতখনত নিজৰ প্ৰতিভা প্ৰদৰ্শনত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে।

বজালী জিলাৰ সৰুপেটাৰ বিধায়ক ফণীধৰ তালুকদাৰে গাঁও পঞ্চায়ত পৰ্যায়ত প্ৰতিযোগিতা উদ্বোধন কৰে। এই প্ৰতিযোগিতাত এথলেটিকছ, কাবাডী, ফুটবল, দবা, চাইকেল চলোৱা আদি খেলসমূহ অনুষ্ঠিত হয়। দৰং জিলাতো গাঁও পঞ্চায়ত আৰু পৌৰসভা পৰ্যায়ত খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিধায়ক বসন্ত দাসে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ উপস্থিতিত মঙলদৈ পৌৰসভা এলেকাত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত আজি খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বিভিন্ন প্ৰতিযোগিতাৰ শুভাৰম্ভ হয়। তাৰে অংশ হিচাপে মৰিয়নী বিধানসভা সমষ্টিৰ অন্তৰ্গত নগাধূলি আৰু কঠালগুৰি চাহ বাগিছা খেলপথাৰত বিধায়ক ৰূপজ্যোতি কুৰ্মী, তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত তিতাবৰ ইউ এল বি আৰু মেজেঙা খেলপথাৰত বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, যোৰহাট ষ্টেডিয়াম খেলপথাৰত জিলা আয়ুক্ত আৰু টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত বাহনাবালক উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিধায়কৰ প্ৰতিনিধিয়ে খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ শুভাৰম্ভ কৰে।

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাতো খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। এই উপলক্ষে পশ্চিম কাৰ্বি আংলঙৰ হামৰেণ, ৰংহাং, ৰংবং খেলপথাৰত দুদিনীয়াকৈ চলিবলগীয়া পৰিষদীয় ভিত্তিত আৰম্ভ হোৱা খেল মহাৰণৰ প্ৰতিযোগিতা উদ্বোধন কৰে বিধায়ক ৰূপচিং টেৰণে। সেইদৰে কাৰ্বি আংলং জিলাৰ বোকাজানতো পৰিষদীয় সমষ্টি ভিত্তিত খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে।

কৰিমগঞ্জ জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিটো গাঁও পঞ্চায়তত খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছে।

০০০০০

ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট গল্পলেখক নিত্যানন্দ তামূলীৰ কালি গুৱাহাটীৰ ছয়মাইলৰ নিজ বাসভৱনত দেহাৱসান হয়। ১৯৫৭ চনত গোলাঘাটৰ ঢেকীয়াল হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হৈ কটন কলেজ আৰু বি বৰুৱা মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। পৰৱৰ্তী সময়ত গুৱাহাটীৰ পৰা প্ৰকাশিত নীলাচল আৰু সাপ্তাহিক নীলাচলৰ সম্পাদনা বিভাগত তেওঁ কাৰ্যনিৰ্বাহ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ভাষা সাহিত্য সম্পৰ্কীয় বিভিন্ন অনুষ্ঠানত অংশ লোৱা তামূলীয়ে কেইবাখনো নাট ৰচনাৰে নাট্যকাৰ হিচাপেও পৰিচিতি লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় সচিবৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি ২০০২ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত অহা ১৬ নৱেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতুপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-

২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনৰ বিষয়াসকলৰ দ্বাৰা জিলাখনৰ অন্তৰ্গত বিভিন্ন অংগনবাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শন অব্যাহত আছে। ইয়াৰ অংশ হিচাপে আজি জিলাখনৰ শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু মেলেঙী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়ৰ বিভিন্ন দিশ সন্দৰ্ভত বুজ লয়। তেওঁ পুৱাৰ প্ৰাতঃসভাত উপস্থিত থাকি শিক্ষাৰ্থীসকলৰ লগত মত-বিনিময় কৰে। আনহাতে, জিলাখনৰ সহকাৰী আয়ুক্তদ্বয়ে লাহদৈগড়ৰ ৬৭ নম্বৰ সৰু মইনাপুৰীয়া অংগনবাড়ী কেন্দ্ৰ আৰু ৭২ নম্বৰ বৰখেলিয়া নিম্ন বুনিয়াদী বিদ্যালয়ৰ বিভিন্ন দিশ সন্দৰ্ভত বুজ লোৱাৰ উদ্দেশ্যে পৰিদৰ্শন কৰে। তদুপৰি তেওঁলোকে ৭২ নম্বৰ বৰখেলিয়া নিম্ন বুনিয়াদী বিদ্যালয় পৰিদৰ্শন কৰি শিক্ষাৰ্থীৰ উপস্থিতি, মধ্যাহ্ন ভোজ আৰু ক্ৰীড়া সঁজুলি সন্দৰ্ভত বুজ লয়। সেইদৰে তিতাবৰ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে চক্ৰটোৰ অন্তৰ্গত বান্দৰচলিহা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে।

০০০০০

সমাপ্ত